গুৱাহাটী বিশ্ববিদ্যালয় দূৰ আৰু অনলাইন শিক্ষা কেন্দ্ৰ

**গৃহপঞ্জী**

**প্ৰথম ষাণ্মাসিক**

**অসমীয়া স্নাতকোত্তৰ, শৈক্ষিক বৰ্ষঃ ২০২৩-২৪**

**নিৰ্দেশাৱলীঃ—**

(১) কেৱল ২০২৩-২৪ শৈক্ষিক বৰ্ষৰ বাবে নামভৰ্তি কৰা শিক্ষাৰ্থীসকলে গৃহপঞ্জী লিখিব।
(২) শিক্ষাৰ্থীসকলে নিজৰ ৰোল নং, জি. ইউ. পঞ্জীয়ন নম্বৰ, বিষয়, ষাণ্মাসিক, পাঠ্যবিষয়ৰ শিৰোনাম, কাকত নং আৰু অধ্যয়ন কেন্দ্ৰৰ নাম উত্তৰ বহীৰ প্ৰথম পৃষ্ঠাত স্পষ্টকৈ উল্লেখ কৰিব লাগিব।
(৩) গৃহপঞ্জীৰ ফৰ্মেটটো GUCDOE ৱেবছাইটত উপলব্ধ। শিক্ষাৰ্থীসকলে সেই ফৰ্মেটটো ডাউনলোড কৰি তাতেই উত্তৰ প্ৰস্তুত কৰিব লাগিব।
(৪) প্ৰতিখন কাকতৰ বাবে দুটা বাধ্যতামূলক প্ৰশ্ন থাকিব। দুয়োটা প্ৰশ্নৰ বাবে এটাকৈ বিকল্প থাকিব। প্ৰতিটো প্ৰশ্নোত্তৰৰ বাবে মূল্যাংক থাকিব ১০। (মুঠ নম্বৰঃ ২ টা প্ৰশ্ন × ১০ নম্বৰ = ২০ নম্বৰ)
(৫) টাইপিং অথবা কম্পিউটাৰাইজ্ উত্তৰ বহী গ্ৰহণ কৰা নহ'ব। শিক্ষাৰ্থীসকলে নিজ হাতে লিখা উত্তৰ বহী জমা দিব লাগিব।
(৬) ১০ নম্বৰৰ বাবে প্ৰতিটো প্ৰশ্নোত্তৰ ৪০০ শব্দৰ ভিতৰত হ'ব লাগিব।
(৭) উত্তৰ লিখনত অন্য উৎসৰ পৰা আংশিক বা সম্পূৰ্ণভাৱে হুবহু প্ৰশ্নোত্তৰ লিখাটো অনৈতিক কাৰ্য হিচাপে গণ্য কৰা হ'ব।
(৮) GUCDOE-ৰ অধীনত বিভিন্ন Study Centre-ৰ শিক্ষাৰ্থীসকলে নিজ নিজ অধ্যয়ন কেন্দ্ৰত গৃহপঞ্জী জমা দিয়াটো বাধ্যতামূলক।
(৯) GUCDOE কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে GUCDOE কাৰ্যালয়ত নিজৰ গৃহপঞ্জী জমা দিব।
(১০) **গৃহপঞ্জীৰ জমা দিয়াৰ অন্তিম তাৰিখ ১৮ জানুৱাৰী, ২০২৪।**

---

## পাঠ্যবিষয় ঃ ASM-1016 (অসমীয়া ভাষাৰ উত্থান আৰু বিকাশ)

**১ নং প্ৰশ্নঃ** ভাৰতৰ আঞ্চলিক ভাষাসমূহৰ উত্থান সম্পৰ্কে এটি বিশ্লেষণমূলক আলোচনা কৰা। ১০

*অথবা*

ৰাজকীয় পৃষ্ঠপোষকতাই প্ৰাক্‌শংকৰী যুগৰ কবিসকলক সাহিত্য চৰ্চাৰ ক্ষেত্ৰত কেনেদৰে প্ৰভাৱিত কৰিছিল আলোচনা কৰা। ১০

**২ নং প্ৰশ্নঃ** ব্ৰজাৱলী ভাষাই ভাষিক আৰু সাংস্কৃতিক সংযোগৰ নিদৰ্শন দাঙি ধৰিছে। উক্ত মন্তব্যফাঁকি যুক্তি সহকাৰে সাব্যস্ত কৰা। ১০

*অথবা*

অসমীয়া ভাষাৰ আধুনিকীকৰণত ছপা মাধ্যমৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা। ১০

## পাঠ্যবিষয় ঃ ASM-1026 (অসমীয়া সাহিত্যৰ বুৰঞ্জী (১৮৮৯-২০১৫))

**১ নং প্ৰশ্নঃ** মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাৰ বিশেষত্ব বিচাৰ কৰক। ১০

*অথবা*

দণ্ডিনাথ কলিতাৰ উপন্যাসৰ আদৰ্শাত্মক দৃষ্টিভংগী সম্পৰ্কে এটি নিবন্ধ যুগুত কৰক। ১০

**২ নং প্ৰশ্নঃ** অসমীয়া নাটকৰ ইতিহাসত অতুলচন্দ্ৰ হাজৰিকাৰ স্থান নিৰূপন কৰক। ১০

*অথবা*

বিপুল খাটনিয়াৰৰ গল্পৰ বিশেষত্ব বিচাৰ কৰক। ১০

## পাঠ্যবিষয় ঃ ASM-1036 (অসমৰ সংস্কৃতিৰ অধ্যয়ন)

**১ নং প্ৰশ্নঃ** সাংস্কৃতিক মানৱ নিৰ্মিত বুলি কোৱাৰ কাৰণসমূহ দৰ্শাই আলোচনা কৰক। ১০

*অথবা*

মধ্যযুগৰ অসমৰ মন্দিৰ-স্থাপত্যৰ বিষয়ে বহলাই আলোচনা কৰক। ১০

**২ নং প্ৰশ্নঃ** ধৰ্মীয় দিশত সমন্বয়ে সংস্কৃতিৰ কিদৰে সৃষ্টি কৰিছে উদাহৰণ সহ আলোচনা কৰক। ১০

*অথবা*

বিশ্বায়নৰ প্ৰেক্ষাপটত আধুনিক যুগৰ অসমৰ সমাজৰ সংস্কৃতি— এই শীৰ্ষক এটা প্ৰবন্ধ যুগুত কৰক। ১০

## পাঠ্যবিষয় ঃ ASM-1046 (সংস্কৃত সাহিত্যৰ ইতিহাস, বিকাশ, লক্ষণ আৰু প্ৰকাৰ)

**১ নং প্ৰশ্নঃ** 'ৰামায়ণ'ক কিয় আদিকাব্য বোলা হয় যুক্তিসহকাৰে এটি আলোচনা যুগুত কৰক। ১০

*অথবা*

মহাকবি কালিদাসৰ নাট্যপ্ৰতিভাৰ বিষয়ে এটি আলোচনা আগবঢ়াওক। ১০

**২ নং প্ৰশ্নঃ** সংস্কৃত গদ্যসাহিত্যৰ ধাৰাৰ বিষয়ে এটি চমু আলোচনা কৰক। ১০

*অথবা*

শংকৰদেৱৰ সময়ত ৰচিত অসমৰ সংস্কৃত সাহিত্য সম্বন্ধে এটি নিবন্ধ লিখক। ১০

—×—

গুৱাহাটী বিশ্ববিদ্যালয়

# Gauhati University

দূৰ আৰু অন্‌লাইন শিক্ষা কেন্দ্ৰ

# Centre for Distance and Online Education

**ASNWERSCRIPT FOR HOME ASSIGNMENT**

**Roll Number (8 digit):** ........................................................................
***(GUCDOE Enrollment No)***

**G.U. Registration No.:** ........................................................................

**Programme Name:** ........................................................................

**Semester:** ........................................................................

**Paper Title:** ........................................................................

**Paper Code:** ........................................................................

**Name of the Study Centre:**........................................................................

**N.B.: Please note that the Name of the Candidate should not be mentioned anywhere. If found, the asnwer script will not be evaluated.)**